অধ্যায় ৭ ঃ গ্রাম্য আৰু কৃষিভিত্তিক সংযোগ

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ গ্রামোন্নয়ন (Rural Development) মানে কি?
৭.৪ কৃষিভিত্তিক সংযোগৰ প্রয়োজনীয়তা
৭.৫ উপযুক্ত প্রচাৰ মাধ্যম
৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৭ অধিক জানিবলৈ
৭.৮ অগ্রগতিৰ খতিয়ান
৭.৯ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গ্রামোন্নয়ন মানে কি সেয়া ব্যাখ্যা কৰিব পাৰিব
- গ্রামোন্নয়ন উন্নয়নমূলক সংযোগে (Development Communication) কেনেদৰে এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰে সেয়া বর্ণনা কৰিব পাৰিব
- কৃষিভিত্তিক সংযোগৰ প্রয়োজনীয়তা ব্যাখ্যা কৰিব পাৰিব
- উন্নয়নৰ বাবে উপযুক্ত প্রচাৰ মাধ্যম সম্পর্কে আলোচনা কৰিব পাৰিব।

৭.২ পৰিচয়

আমাৰ দেশৰ সামগ্রিক পৰিস্থিতিত উন্নয়নমূলক সংযোগ (Development Communication) কিয় প্রাসংগিকসেই বিষয়ে আগৰ অধ্যায়সমূহত আমি বহলাই আলোচনা কৰিছো। এইবাৰ আমি গ্রামোন্নয়ন, বিশেষকৈ কৃষিভিত্তিক উন্নয়নৰ ক্ষেত্রত উন্নয়নমূলক সংযোগৰ ভূমিকাৰ বিষয়ে বিতংকৈ আলোচনা কৰিম। ভাৰতীয় সমাজ আৰু অর্থনীতিৰ দুটা এৰাব নোৱাৰা অংশ হ'ল কৃষিভিত্তিক আৰু গ্রাম্য উন্নয়ন। দুয়োটা খণ্ডতে দীর্ঘ তথা হ্রস্বম্যাদী লক্ষ্যত উপনীত হ'বলৈ উন্নয়নমূলক সংযোগ নামৰ জনপ্রিয় সুবিধাটোৱে সেৱা আগবঢ়াব লাগে। এই অধ্যায়ত আমি উল্লিখিত উদ্দেশ্য পূৰণৰ অর্থে ব্যৱহৃত উপযুক্ত মাধ্যমবোৰৰ লগতে গ্রামোন্নয়ন তথা কৃষিভিত্তিক সংযোগ মানে কি সেই বিষয়ে খৰচি মাৰি আলোচনা কৰিম।

৭.৩ গ্রামোন্নয়ন মানে কি ?

একেবাৰে সহজ অর্থত গ্রামোন্নয়ন মানে হ'ল গ্রামাঞ্চলৰ উন্নতি আৰু গঞা বাসিন্দাৰ জীৱনৰ মান উন্নত কৰা কার্যকলাপ। আমাৰ দেশত ৭০ শতাংশতকৈও অধিক লোক গ্রামাঞ্চলত অথবা গাঁৱত বাস কৰে। এই বাসিন্দাসকলৰ প্রধান বৃত্তি হ'ল কৃষি আৰু কৃষিভিত্তিক বেহা-বেপাৰ। কৃষি যেনেদৰে এইসকল লোকৰ জীৱনৰ অপৰিহার্য অংশ, ঠিক এনেদৰে গ্রাম্য সমাজৰ আন কিছুমান অভিন্ন বৈশিষ্ট্য হ'ল নিম্ন অথবা প্রায় শূন্য শিক্ষিত লোকৰ হাৰ, পৰিবহণ তথা যোগাযোগৰ আধুনিক উপায়ৰ নাটনি, উদ্ভাৱনমূলক চিন্তা-চর্চাৰ অভাৱ ইত্যাদি। এই কাৰকবোৰে আমাৰ দেশৰ গ্রামাঞ্চল আৰু গ্রাম্য সম্প্রদায়বোৰক অনগ্রসৰতাৰে ভৰা বিচ্ছিন্ন দ্বীপলৈ পর্যবসিত কৰিছে।

আমি সকলোৱে জানো যে চৰকাৰ আৰু সমাজে দেশখনক সঠিক সময়ত এখন উন্নত ৰাষ্ট্ৰৰূপে প্রতিষ্ঠা কৰিবলৈ অহোপুৰুষার্থ কৰি আছে। কিন্তু ভাৰতবর্ষৰ সর্বমুঠ জনসংখ্যাৰ এটা বৃহৎ অংশ অশিক্ষিত আৰু অনগ্রসৰ হৈ থকা অৱস্থাত দেশখনে সামগ্রিকভাৱে উন্নতিৰ জখলাৰে কেনেকৈ আগুৱাই যাব পাৰিব ?

সমগ্র বিষয়টো চালি-জাৰি চোৱাৰ পাছত ল'ব পৰা গুৰুত্বপূর্ণ সিদ্ধান্তটো হ'ল এয়ে যে গৰিষ্ঠসংখ্যক নাগৰিক যদি অনগ্রসৰ, অনুন্নত হৈ ৰয়, তেন্তে কোনো দেশেই প্রকৃততে উন্নয়ন হোৱা বুলি ভাবিব নোৱাৰে। অৱশ্যে এটা কথাও সত্য যে ভাৰতবর্ষৰ গাঁওবোৰেই নহয়, ইয়াৰ বহুতো নগৰ-চহৰো আজিকোপতি অনুন্নত হৈ আছে। কিন্তু নগৰাঞ্চলত কিছুসংখ্যক এজেন্সী আৰু অন্যান্য সা-সুবিধা সুলভ যিবোৰৰ জৰিয়তে নানা উন্নয়নমূলক আঁচনি বলৱৎ কৰাৰ প্রয়াস কৰা হয়। সেয়েহে গ্রামাঞ্চলৰ তুলনাত অনুন্নত নগৰাঞ্চলৰ অৱস্থা কিছু উন্নত বুলি ক'ব পাৰি। গ্রামাঞ্চল আৰু গাঁওবোৰৰ অনগ্রসৰতাৰ আঁৰত কেইটামান কথা লুকাই আছে। ইয়াৰে দুটামান হ'ল— দুর্বল পৰিবহন আৰু যোগাযোগ ব্যৱস্থা, গোড়ামি তথা কু-সংস্কাৰে জন্ম দিয়া শিক্ষা গ্রহণৰ প্রতি অনীহা, তথ্য জনাৰ পৰা বঞ্চিতাৱস্থা আৰু সাক্ষৰতাৰ অভাৱ আদি। অধিকাংশ অঞ্চলতে বিদ্যালয় আৰু অন্য শৈক্ষিক প্রতিষ্ঠানবোৰৰ মান অতি নিম্নখাপৰ। এনে স্থানসমূহ শিক্ষাদান আৰু গ্রহণ দুয়োটা কার্যৰ বাবে অনুপযুক্ত। ইয়াৰ উপৰি স্বাস্থ্য আৰু চিকিৎসা সুবিধাৰ অভাৱো এনেবোৰ অঞ্চলৰ উন্নতিৰ অন্তৰায়ৰূপে বিবেচিত হৈছে। এই আটাইবোৰ দিশৰ লগতে গ্রামোন্নয়নৰ আন এটা অতি গুৰুত্বপূর্ণ দিশ আছে। সেইটো হ'ল কৃষিভিত্তিক উন্নয়ন। এই দিশটোক দৰাচলতে গ্রামাঞ্চলসমূহৰ উন্নয়নৰ সবাতোকৈ গুৰুত্বপূর্ণ দিশ বুলি আখা দিব পৰা যায়। যিহেতু গঞা লোকৰ বাবে কৃষিয়েই হ'ল উপার্জনৰ প্রধান উৎস, সেয়েহে কৃষিভিত্তিক উন্নয়ন প্রত্যক্ষ আৰু পৰোক্ষভাৱে বিভিন্ন অঞ্চলৰ সর্বাংগীন উন্নতিত অৰিহণা যোগাব পাৰে। পৰৱর্তী শিতানত আমি কৃষিভিত্তিক উন্নয়নৰ বাবে সংযোগ ব্যৱস্থাৰ প্রয়োজনীয়তা সম্পর্কে আলোচনা কৰিম।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ গ্ৰামোন্নয়ন মানে কি?

.....

.....

প্ৰশ্ন নং ২ ঃ খালী ঠাই পূৰণ কৰক—

ক) আমাৰ দেশত ..... শতাংশতকৈও অধিক লোক গ্ৰামাঞ্চল নাইবা গাঁৱত বাস কৰে।

খ) গ্ৰামাঞ্চলত বাস কৰা লোকৰ প্ৰধান জীৱিকা হ'ল .....।

৩.৪ কৃষিভিত্তিক সংযোগৰ প্ৰয়োজনীয়তা

ভাৰতবৰ্ষ এনে এখন দেশ যাৰ অৰ্থনীতিত কৃষিয়ে এক প্ৰধান ভূমিকা পালন কৰি আহিছে। পৰম্পৰাগতভাৱে আমাৰ দেশৰ অৰ্থনীতি হ'ল কৃষিভিত্তিক। কিন্তু বিগত কেইদশকমানত দেশৰ অৰ্থনীতিত কৃষিখণ্ডৰ অংশ লক্ষণীয়ভাৱে হ্ৰাস পাইছে। তলত ভাৰতীয় অৰ্থনীতি খণ্ডত কৃষিয়ে এটা গুৰুত্বপূৰ্ণ আৰু প্ৰধান ভূমিকা পালন কৰাৰ আঁৰত থকা কেইটামান বৈশিষ্ট্যৰ বিষয়ে উল্লেখ কৰা হ'ল।

- এতিয়াও কৃষিয়েই হ'ল দেশৰ সৰ্ববৃহৎ ৰোজগাৰ খণ্ড আৰু ই 'ছদ্মবেশী কৰ্মসংস্থাপন'ৰ (Disguised Employment) আধাৰ।
- দেশত এতিয়াও পুৰণি পদ্ধতিৰে আৰু উৎপাদনৰ অতি উন্নত কৌশল অৱলম্বন নকৰাকৈয়ে খেতি কৰা হয়। অতি সামান্য সংখ্যক কৃষকেহে উন্নত পদ্ধতি আৰু কৌশলেৰে খেতি কৰে।
- দেশৰ গ্ৰামাঞ্চল আৰু অৰ্দ্ধ-চহৰাঞ্চলৰ (Semi-Urban) অধিকাংশ বাসিন্দাই কৃষিৰ ওপৰত ভৰসা কৰি জীৱন নিৰ্বাহ কৰে।
- সকলো গ্ৰামাঞ্চলতে প্ৰায়েই সুচল যাতায়াত আৰু যোগাযোগ ব্যৱস্থাৰ নাটনি পৰিলক্ষিত হয়।

ওপৰত উল্লেখ কৰা বিষয়বোৰৰ বাবে ভাৰতবৰ্ষৰ বহুকেইটা পঞ্চবাৰ্ষিক পৰিকল্পনা কালত কৃষিখণ্ডৰ ওপৰত যথেষ্টভাৱে জোৰ দিয়া সত্ত্বেও, বিগত বছৰবোৰত ই আন সকলোবোৰ বিত্তীয় খণ্ডতকৈ পিছপৰি আছে। এই অনগ্ৰসৰতা কৃষিৰ সৈতে জড়িত লোকসকলৰ ক্ষেত্ৰতো প্ৰযোজ্য। তেওঁলোকৰ অধিকাংশই বিভিন্ন সা-সুবিধাৰ পৰা বঞ্চিত, অশিক্ষিত লোক। এই লোকসকলে এটা অসুবিধাজনক অৱস্থাত জীৱন-যাপন কৰিবলৈ বাধ্য। সেয়েহে কৃষিখণ্ডৰ উন্নয়ন যিমান পাৰি ত্বৰান্বিত কৰি তুলিবলৈ আমাক উন্নয়নমূলক সংযোগৰ সেৱাসমূহৰ প্ৰয়োজন

হয়।

এখন কৃষিভিত্তিক অর্থনীতিৰ দেশ হোৱা বাবে ভাৰতৰ কেন্দ্ৰীয় তথা ৰাজ্য উভয় চৰকাৰে স্বাধীনতাৰ পাছৰ পৰাই কৃষিৰ উন্নয়নৰ বাবে বিভিন্ন অভিলাষী পৰিকল্পনা তথা কার্য-কৌশল বাস্তৱায়িত কৰাৰ প্ৰয়াস কৰি আহিছে। দেশৰ প্ৰথম পঞ্চবার্ষিক পৰিকল্পনাত কৃষিৰ ওপৰত সর্বাধিক মনোনিবেশ কৰা হৈছিল। অৱশ্যে তাৰ পাছৰ পঞ্চবার্ষিক পৰিকল্পনাবোৰত কৃষিক অগ্ৰাধিকাৰ প্ৰদান কৰা নহ'ল যদিও উন্নয়নৰ দিশৰ পৰা তথাপিও ইয়াক এটা গুৰুত্বপূর্ণ স্থানত ৰখা হৈছে।

সম্প্ৰতি আমাৰ দেশৰ প্ৰায় প্ৰতিখন ৰাজ্যত কৃষি বিশ্ববিদ্যালয়, পশু চিকিৎসা মহাবিদ্যালয় আদি আছে। লগতে দিল্লীত ভাৰতীয় কৃষিভিত্তিক গৱেষণা পৰিষদো (Indian Council of Agricultural Research) স্থাপন কৰা হৈছে। এই প্ৰতিষ্ঠানবোৰে, বিশেষকৈ ICAR-এ বিগত কেইবাটাও দশক ধৰি ভাৰতৰ কৃষি ক্ষেত্ৰৰ সর্বাংগীন উন্নয়ন তথা গৱেষণা কৌশল উদ্ভাৱনৰ কামত ব্ৰতী হৈ আছে।

এই প্ৰতিষ্ঠানবোৰৰ লগতে বিষয়টোৰ সৈতে সামঞ্জস্য তকা আন বহুতো গৱেষণা প্ৰতিষ্ঠানে কৃষি আৰু পশুপালন সম্পর্কীয় বিভিন্ন বিষয়ৰ ওপৰত নিয়মীয়াকৈ অত্যাধুনিক আৰু উল্লেখনীয় গৱেষণা সম্পন্ন কৰি আহিছে। উদাহৰণস্বৰূপে এই প্ৰতিষ্ঠানবোৰৰ গৱেষকসকলে বিভিন্ন জাতৰ উন্নত উৎপাদনক্ষম বীজ তৈয়াৰ কৰা, বিভিন্ন প্ৰতিকূল বতৰত গজিব পৰা বীজ উদ্ভাৱন কৰা, উন্নতমানৰ তথা অধিক পৰিমাণৰ গাখীৰ, মাংস পাব পৰা পশুধন আৰু হাঁহ-কুকুৰাৰ প্ৰজাতি সৃষ্টি কৰা আদি কামত ব্যস্ত হৈ থাকে।

কিন্তু প্ৰশ্ন হ'ল এই 'জ্ঞান' অথবা 'তথ্য' প্ৰকৃত নির্ধাৰিত শ্ৰেণীটোৰ ওচৰলৈ কেনেদৰে প্ৰেৰণ কৰিব পৰা যায়। এনে তথ্যৰ দ্বাৰা এটা বিশেষ শ্ৰেণীৰ লোকৰ উপকৃত হ'ব পাৰে। অর্থাৎ আমি এই 'জ্ঞান' অথবা 'তথ্য'সমূহ দেশৰ দূৰণিবটীয়া এলেকাত বাস কৰা তথা কৃষিৰ সৈতে জড়িত কৃষকসকলৰ বাবেহে বিকশাই তোলো। তেওঁলোকে যদি এই নতুন উদ্ভাৱনাসমূহৰ দ্বাৰা উপকৃত হ'ব নোৱাৰে তেন্তে যিকোনো গৱেষণাৰে ইতিবাচক ফলাফলৰ কোনো মূল্য নাথাকিব। এনে গৱেষণাবোৰ সাধাৰণতে ব্যৱহাৰিক প্ৰকৃতিৰ (Applied Research) হয় আৰু লব্ধ ফলাফলে কোনো এটা বিশেষ সম্প্ৰদায় অথবা 'টার্গেট অডিয়েন্স'ক (Target Audience) লাভান্বিত কৰিব বুলি আশা কৰা হয়।

আমি আগতেই আলোচনা কৰিছো যে নিজ বৃত্তিত যিকোনো উদ্ভাৱনামূলক পদ্ধতি অথবা কৌশল প্ৰয়োগ কৰিব পৰাকৈ আমাৰ দেশৰ সাধাৰণ খেতিয়ক এজনৰ পর্যাপ্ত শিক্ষা, সা-সুবিধা তথা সঠিক আৰু ফলপ্ৰসূ তথ্য লাভৰ সুযোগ নাথাকে। সেয়েহে এনে গৱেষণালব্ধ পৰিণাম অথবা জ্ঞান কৃষক সমাজক যোগান ধৰাতো সমাজৰ প্ৰতিগৰাকী ব্যক্তিৰে অৱশ্যে কৰণীয় কর্তব্য। ই এই তথ্যবোৰ ব্যৱহাৰিক ক্ষেত্ৰত প্ৰয়োগ কৰি কৃষকক উপকৃত হোৱাত সহায় কৰিব। ফলত এটা সময়ত কৃষকসকলৰ জীৱন ধাৰণৰ মান উন্নত হ'ব। সেয়েহে কৃষক সমাজৰ উন্নয়নৰ বাবে এটা কৃষিভিত্তিক সংযোগ প্ৰণালীৰ প্ৰয়োজনীয়তাৰ কথা সকলোৱে উপলব্ধি

কৰিছে।

এয়াই কৃষিভিত্তিক সংযোগ। এই প্ৰক্ৰিয়াটোৰ দ্বাৰা আমি গৱেষণালব্ধ সিদ্ধান্তসমূহ কৃষক সমাজৰ কাষ চপোৱাৰ আৰু এই সিদ্ধান্ত কৃষিকাৰ্যত প্ৰয়োগ কৰা নিয়ম বুজোৱাৰ প্ৰয়াস কৰো।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ কৃষিভিত্তিক সংযোগ মানে কি?

.....

.....

.....

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৪ ঃ আমাৰ দেশত কৃষিভিত্তিক সংযোগ কিয় প্ৰয়োজনীয়?

.....

.....

.....

.....

.....

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৫ ঃ খালী ঠাই পূৰণ কৰক—

ক) কৃষিক্ষেত্ৰৰ সৰ্বাংগীন উন্নতি তথা গৱেষণা কৌশল উদ্ভাৱনত ..... প্ৰধান ভূমিকা গ্ৰহণ কৰি আহিছে।

খ) প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাত .....ৰ ওপৰত সৰ্বাধিক মনোনিবেশ কৰা হৈছিল।



জানি থোৱা ভাল

কৃষি আৰু অন্য আনুষংগিক বিজ্ঞানত 'সম্প্রসাৰণ শিক্ষা' (Extension Education) অথবা 'সম্প্রসাৰণ সংযোগ' (Extension Communication) নামৰ সংজ্ঞা এটাৰ প্রচলন আছে। আপোনালোকে নিশ্চয় বিভিন্ন উৎসৰ পৰা এই সংজ্ঞাটোৰ বিষয়ে শুনিবলৈ পাইছে। ই হ'ল উন্নয়নমূলক সংযোগৰ এটা ৰূপ। কৃষিৰ প্রয়োগ ক্ষেত্রত ব্যৱহাৰ কৰিব পৰাকৈ ইয়াক প্রস্তুত কৰি লোৱা হয়। সহজ অর্থত সম্প্রসাৰণ শিক্ষা মানে হ'ল কৃষি অধ্যয়ন প্রতিষ্ঠানবোৰে বাহিৰ কৰা গৱেষণা, ফলাফল আৰু শেহতীয়া কৃষিভিত্তিক বিকাশৰ তথ্য 'টার্গেট অডিয়েন্স' অর্থাৎ কৃষকসকলক অৱগত কৰাই সেইবোৰ খেতিপথাৰত প্রকৃতার্থত প্রয়োগ কৰিবলৈ চলোৱা প্রয়াস আৰু যোগাযোগ স্থাপন প্রণালী।

আমি জানো যে দেশৰ প্রতিখন ৰাজ্য চৰকাৰৰ অধীনত কৃষিখণ্ডৰ উন্নয়নৰ বাবে কৃষি আৰু পশুপালন বিভাগ একোটা থাকে। এনে বিভাগবোৰৰ তলৰ খাপত নাইবা প্রাথমিক পর্যায়ত একোগৰাকী কৃষি অথবা পশুধন সম্প্রসাৰণ বিষয়া থাকে। নামটোৰ পৰাই বুজা যায় যে এনে বিষয়াসকলৰ দায়িত্ব হ'ল কৃষিকক কৃষি আৰু পশুচিকিৎসা বিজ্ঞানৰ ক্ষেত্রত হোৱা শেহতীয়া বিকাশৰ বা-বতৰা যোগান ধৰা। অৱশ্যে বিষয়াসকলৰ নাম ইমানতে সমাপ্ত নহয়। কৃষকক নতুন কৃষিপদ্ধতি সম্পর্কে পতিয়ন নিয়াবলৈ তেওঁলোকে বিশেষ ক্ষেত্রত কৃষকসকলক প্রশিক্ষণ দিব লাগে অথবা বিভিন্ন কৃষি কৌশল প্রদর্শন কৰিব লাগে।

এইসকল বিষয়াৰ অধীনত আন এচাম ক্ষেত্রভিত্তিক কার্য সম্পাদন কৰোঁতা কর্মচাৰী থাকে। তেওঁলোকক 'গ্রামসেৱক' নাইবা 'গ্রামসেৱিকা' বুলি কোৱা হয়। তেওঁলোকৰ কাম হ'ল শেহতীয়া প্রযুক্তি কৌশলবোৰ হাতে-কামে ব্যৱহাৰ কৰি দেখুৱাই কৃষকসকলক সজাগ কৰি তোলা। এই কার্যবোৰো উন্নয়নমূলক সংযোগৰে এটা ৰূপ।

৭.৫ উপযুক্ত প্রচাৰ মাধ্যম

এখন নির্দিষ্ট সমাজত কোনো এক নির্দিষ্ট উদ্দেশ্যত ব্যৱহাৰ কৰাৰ বাবে সুলভ হৈ থকা সকলোবোৰ সম্পদৰ সহায়ত (আমাৰ ক্ষেত্রত প্রচাৰ মাধ্যম হ'ল সম্পদ) যিকোনো উন্নয়নমূলক সংযোগ স্থাপনকাৰী কার্যকলাপ সম্পাদন কৰিব লাগে। এইক্ষেত্রত মনত ৰাখিবলগীয়া কথাটো হ'ল উন্নয়নমূলক সংযোগৰ কাম সম্পাদন কৰিবলৈ প্রতিটো গণপ্রচাৰ মাধ্যম অথবা প্রচাৰ মাধ্যমৰ অন্য ৰূপবোৰ সমানে উপযুক্ত আৰু সুচল নহ'বও পাৰে। সেয়েহে আমি সকলোবোৰ প্রচাৰ মাধ্যমৰ পৰা এটা উপযুক্ত মাধ্যম বাছি উলিয়াব লাগিব আৰু এটা সুবিবেচনাপূর্ণ 'প্রচাৰ মাধ্যম পৰিকল্পনা'ৰ (media planning) জৰিয়তে এই কার্য ৰূপায়ণ কৰিব লাগিব।

'প্রচাৰ মাধ্যম পৰিকল্পনা'ৰ অর্থ অলপ বহলকৈ বুজি লওঁ আহক। ইয়াৰ অর্থ হ'ল প্রকৃত নির্ধাৰিত লোকসমাজৰ হিতার্থে বাঞ্ছিত তথ্য প্রেৰণৰ বাবে ব্যৱহাৰ কৰিবলগীয়া বিভিন্ন প্রকাৰৰ প্রচাৰ মাধ্যমৰ সু-সম মিশ্রণ যুগুত কৰা। এনে ধৰণৰ পৰিকল্পনা কেইবাটাও অধ্যয়নলব্ধ বিষয়ৰ ওপৰত নির্ভৰশীল। যেনে— এক নির্দিষ্ট স্থানত কেনেধৰণৰ প্রচাৰ মাধ্যম সুলভ, সেই নির্দিষ্ট প্রকাৰৰ প্রচাৰ মাধ্যমটোৰ সেৱা কিমান মানুহে লাভ কৰে, বিভিন্ন বয়সৰ দর্শকে কোনো এটা বিশেষ প্রচাৰ মাধ্যম এজেন্সীৰ দ্বাৰা সম্প্রচাৰিত কোনবোৰ অনুষ্ঠান উপভোগ কৰাত অগ্রাধিকাৰ দিয়ে ইত্যাদি।

অর্থাৎ, আমি কোনো এটা প্রচাৰ মাধ্যমকে ভালদৰে দর্শকৰ কাষ চাপিব নোৱাৰাৰ অজুহাতত একাষৰীয়া কৰিব নোৱাৰো। যদি কোনো এটা মাধ্যমে জনগণৰ এটা ক্ষুদ্র অংশলৈ নানা তথ্যৰ যোগান ধৰি আছে, তেনেহ'লে আমি সেই মাধ্যমটোৰ কথাও গুৰুত্ব সহকাৰে বিবেচনা কৰি চাব লাগিব। এইবোৰৰ উপৰি ৰাইজক তথ্য যোগান ধৰা মিশ্রিত প্রচাৰ মাধ্যমটো যথোপযুক্তভাৱে বাছনি কৰাৰ ক্ষেত্রতো আমি অত্যন্ত সাৱধানী আৰু পক্ষপাতহীন হ'ব লাগিব। অর্থাৎ অসম প্রচাৰ মাধ্যম পৰিকল্পনাই ৰাইজৰ উন্নতি সাধন কৰাৰ সলনি ক্ষতিকাৰক প্রভাৱহে পেলাব।

আপোনালোকৰ সুবিধার্থে তলত বিভিন্ন প্রচাৰ মাধ্যম আৰু বাঞ্ছিত জনগণৰ ওচৰলৈ উন্নয়নমূলক সংযোগৰ বার্তা কঢ়িয়াই নিবলৈ সেইবোৰ কিমান উপযুক্ত সেয়া আলোচনা কৰা হৈছে।

ছপা মাধ্যম (Print Media) ঃ ই হ'ল আটাইবোৰ গণ প্রচাৰ মাধ্যমৰ ভিতৰত সবাতোকৈ পুৰণি মাধ্যম। সেয়েহে টিভি আৰু ৰেডিঅ'ৰ আত্মপ্রকাশ ঘটাৰ পাছতো ছপা মাধ্যমে জনগণৰ লগত এটা বিশেষ সম্পর্ক অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে। বর্তমান টিভি আৰু ৰেডিঅ'ই জনপ্রিয়তাৰ শীর্ষত স্থান দখল কৰা সত্ত্বেও ছপা মাধ্যমে সবল ৰূপত নিজৰ অস্তিত্ব বর্তাই ৰাখিছে। অৱশ্যে এই মাধ্যমটোৰ বহুতো সুবিধা থকাৰ পাছতো ই এতিয়াও কেৱল এটা চহৰীয়া মাধ্যম হৈয়েই ৰ'ল। সেয়েহে ইয়াক গ্রাম্য আৰু কৃষিভিত্তিক উন্নয়নৰ কামত ব্যৱহাৰ কৰিব পৰা আদর্শ মাধ্যম বুলি গণ্য কৰিব পৰা নাযায়।

বৈদ্যুতিক মাধ্যম (Electronic Media) ঃ এই মাধ্যমটোৰ কেইটামান সর্বপৰিচিত ৰূপ হ'ল ৰেডিঅ', টিভি, কথাছবি, কেব্‌ল টিভি ইত্যাদি। ইয়াৰ ভিতৰত ৰেডিঅ'ক গ্রাম্য আৰু কৃষিকার্যৰ সৈতে জড়িত নির্ধাৰিত শ্রোতাগণৰ বাবে সর্বাধিক উপযুক্ত মাধ্যম বুলি বিবেচনা কৰা হয়। এই মাধ্যমৰ সবাতোকৈ উল্লেখযোগ্য সুবিধাটো হ'ল ছপা মাধ্যমত প্রয়োজন হোৱাৰ দৰে বার্তা শাৰীৰিকভাৱে জনগণৰ ওচৰলৈ কঢ়িয়াই নিব নালাগে। ৰেডিঅ'ৰ জৰিয়তে তথ্য বায়ুমণ্ডলেৰে প্রেৰণ কৰিব পৰা যায়। শ্রোতাৰ হাতত তেনে তথ্য শুনিব পৰাকৈ একোটা ৰেডিঅ' ছেট থাকিব লাগে। এই সুবিধাটোৰ বাবে ৰেডিঅ'ই দিনটোৰ চৌৱিশ ঘণ্টাই সেৱা আগবঢ়াব পাৰে। ছপা মাধ্যমৰ ক্ষেত্রত এয়া সম্ভৱপৰ নহয়। কাৰণ ছপা মাধ্যমত প্রস্তুত কৰা বার্তা নির্ধাৰিত পাঠকৰ হাতত পেলাবলৈ বার্তাবাহকে শাৰীৰিকভাৱে সকলোৰে কাষ চাপিব লাগে।

আপুনি নিশ্চয় বিভিন্ন সময়ত দেশৰ গাঁৱে-ভূঞে, নগৰে-চহৰে কাষতে ৰেডিঅ' বজাই থৈ কৃষিকার্যত অথবা অন্য কামত নিমগ্ন হৈ থকা বহু লোকক দেখা পাইছে। এয়া সম্ভৱ হৈছে ৰেডিঅ'ৰ সুবিধাবোৰৰ বাবে। ৰেডিঅ'ত অনুষ্ঠান প্রচাৰিত হৈ থকাৰ সময়ত শ্রোতাৰ দৃষ্টি নিবদ্ধ হৈ নাথাকে আৰু হাত দুখনো মুকলি হৈ থাকে। ৰেডিঅ'ৰ এই সুবিধাটোৱে ইয়াক কৃষিভিত্তিক আৰু গ্রামোন্নয়ন বিষয়ক বিভিন্ন তথ্য আৰু শিক্ষাৰ প্রচাৰ তথা প্রসাৰৰ সবাতোকৈ উপযুক্ত মাধ্যমত পৰিণত কৰিছে।

দেশৰ গাঁও-ভূই, নগৰ-চহৰ সর্বত্র ৰেডিঅ'ৰ এই জনপ্রিয়তা ২০০১ চনৰ ভাৰত লোকপিয়লৰ সময়ত স্পষ্ট ৰূপত ধৰা পৰে। লোকপিয়লটোৰ পৰা গম পোৱা গৈছিল যে কেৱল অসমৰে ৪৯ লাখতকৈও অধিক ঘৰৰ মাজৰে প্রায় ৩০ শতাংশ ঘৰত একোটাকৈ ৰেডিঅ' ছেট আছে। তাৰ তুলনাত টিভি থকা ঘৰৰ সংখ্যা ১৮ শতাংশতকৈ অলপহে বেছি। অৱশ্যে গ্রামাঞ্চল আৰু নগৰাঞ্চলৰ জনসংখ্যাৰ মাজত ৰেডিঅ' আৰু টিভিৰ মুঠ সংখ্যাৰ কিছু প্রভেদ আছে। নগৰ অঞ্চল শিতানত ৫৫ শতাংশতকৈও অধিক বাসিন্দাৰ ঘৰত টিভি আৰু প্রায় ৪০ শতাংশৰ ঘৰত ৰেডিঅ' আছে। আনহাতে ৰাজ্যখনৰ গ্রামাঞ্চলত থকা সর্বমুঠ পৰিয়ালৰ প্রায় ১২ শতাংশৰ ঘৰত টিভি আৰু ২৮ শতাংশতকৈও অধিক পৰিয়ালত ৰেডিঅ' ছেট আছে।

একেটা পৰিসাখ্যিক তথ্য সমষ্টিৰ পৰাই গম পোৱা গৈছিল যে অসমৰ মুঠ জনসংখ্যাৰ ১৫ৰ পৰা ৪৯ বছৰীয়া বাসিন্দাসকলে (পাঁচ বছৰৰ অন্তৰাল ৰাখি ছটা শিতানত বাসিন্দাসকলক বিভক্ত কৰা হৈছিল) অন্য গণ প্রচাৰ মাধ্যমৰ তুলনাত ৰেডিঅ'ৰ অনুষ্ঠান বেছিকৈ শুনে।

মন কৰিবলগীয়া কথাটো হ'ল বিশেষকৈ নগৰ-চহৰাঞ্চলত মনোৰঞ্জন আৰু তথ্য সংগ্রহৰ ইমানবোৰ উপায় সহজলভ্য হৈ থকা সত্ত্বেও এই অঞ্চলবোৰত ৰেডিঅ'ৰ সবল উপস্থিতি আজিও বিদ্যমান। এই কথাটোৰ পৰাই প্রমাণ হয় যে আজি পর্যন্ত উন্নয়নমূলক সংযোগৰ উপযুক্ত মাধ্যমৰূপে ৰেডিঅ'ৰ উপযোগিতা আৰু গুৰুত্ব অক্ষুণ্ণ হৈ আছে।

আমি জানো যে বর্তমান দেশৰ সর্বত্র গ্রাম্য আৰু কৃষিভিত্তিক সম্প্রদায়বোৰে প্রধান শক্তিৰূপে মূৰ দাঙি থিয় দিছে। সেয়েহে বহির্জগতৰ সৈতে সঠিক সংযোগ স্থাপন কৰাত গঞা সমাজক সহায় কৰিবলৈ বিভিন্ন সা-সুবিধা গঢ়ি তোলাৰ বাবে বিভিন্ন প্রতিষ্ঠিত ব্যক্তিগত সন্মিলিত বাণিজ্য প্রতিষ্ঠান আগবাঢ়ি আছে।

এনে বহুতো কোম্পানীয়ে দেশৰ দুর্গম আৰু দূৰণিবটীয়া ঠাইত বিভিন্ন সা-সুবিধা গঢ়ি তুলি কৃষক আৰু গঞা লোকক সহায় কৰি আছে। এতিয়া এনেবোৰ অঞ্চলৰ বাসিন্দায়ো চহৰৰ বজাৰত নিজৰ উৎপাদিত সামগ্রী বিক্রী কৰাৰ বাবে বজাৰ তথ্য লাভ কৰে, যোগান আৰু চাহিদাৰ মাত্রা নিৰীক্ষণ কৰিব পাৰে। বৈজ্ঞানিক বিকাশৰ আধুনিক উপায় কামত খটুৱাই এনেবোৰ সুবিধা সুলভ কৰি তোলা হৈছে।

আমাৰ দেশত লাহে লাহে জনপ্রিয়তা অর্জন কৰা, উন্নয়নমূলক সংযোগৰ লক্ষ্য আৰু উদ্দেশ্যক আগবঢ়াই নিয়াত সহায় কৰিব পৰা আন এটা নতুন ধাৰণা হ'ল 'সমূহীয়া ৰেডিঅ'' (Community Radio)। পূর্বৰ অধ্যায়ত আমি 'সমূহীয়া ৰেডিঅ'ৰ বিষয়ে উল্লেখ কৰিছো। ই

হ'ল এটা ক্ষুদ্র পৰিসৰত অনুষ্ঠান সম্প্রচাৰৰ অনুমতি লাভ কৰা এফ. এম. ৰেডিঅ' ষ্টেশ্যন (FM Radia Station)। ইয়াক সীমিত স্থানৰ ভিতৰত তথ্য প্রচাৰৰ স্থানীয় উদ্দেশ্য সিদ্ধিৰ বাবে প্রয়োগ কৰা হয়।

সমূহীয়া ৰেডিঅ'ৰ প্রধান সুবিধাটো হ'ল ই এটা স্থানীয় ৰূপ লাভ কৰা ৰেডিঅ' কেন্দ্র। ইয়াত স্থানীয় গুৰুত্ব থকা বিষয়-বার্তাক অগ্রাধিকাৰ দিয়া হয়। ইয়াৰ উপৰি স্থানীয় সম্প্রদায়ে নিজে নির্বাচিত কৰা অথবা বাছি লোৱা স্বেচ্ছাসেৱী নাইবা অন্য কর্মীৰ দ্বাৰা এনে ৰেডিঅ' ষ্টেশ্যনবোৰ পৰিচালিত কৰা হয়। সেয়েহে ইয়াত বাহ্যিক হস্তক্ষেপৰ সুবিধা নাথাকে বুলিয়েই ক'ব পাৰি। ইয়াৰ ফলত সংশ্লিষ্ট স্থানীয় সম্প্রদায় এটাৰ কোনো কামত নহা অনুষ্ঠান প্রচাৰৰ বাবে বাহিৰৰ পৰা অহা অযুক্তিকৰ হেঁচা প্রতিহত কৰিব পৰা যায়। সহজ অর্থত সমূহীয়া ৰেডিঅ' হ'ল মানুহৰ হৈ, মানুহৰ দ্বাৰা আৰু মানুহৰ ৰেডিঅ' অনুষ্ঠান প্রচাৰ কৰা এটা পদ্ধতি।

সমূহীয়া ৰেডিঅ' হ'ল উন্নয়নমূলক সংযোগৰ এটা আদর্শ আহিলা। এনে ৰেডিঅ'ৰ দ্বাৰা স্থানীয় ভাষাত স্থানীয় লোকৰ বাবে বিস্তৃত আৰু সহজে বুজি পোৱা ধৰণৰ বিষয়বস্তুৰে যুগুত কৰা অনুষ্ঠান প্রচাৰৰ সুযোগ পোৱা যায়। এনে ৰেডিঅ'ত কোনো এটা সম্প্রদায়ৰ সৈতে প্রত্যক্ষ আৰু পৰোক্ষ প্রাসংগিকতা থকা বিষয়বোৰহে সামৰি লোৱা হয়। এই মাধ্যমটোৱে লাহে লাহে আমাৰ দেশত উন্নয়নমূলক সংযোগ স্থাপনৰ সপোন বাস্তৱায়িত কৰাৰ সবাতোকৈ অধিক সম্ভাৱনাপূর্ণ আৰু আত্মবৃদ্ধি ঘটা প্রচাৰ মাধ্যম আহিলাত পৰিণত হৈছে।

লোক তথা পৰম্পৰাগত প্রচাৰ মাধ্যম (Folk and Traditional Media) ঃ আমাৰ সমাজত উন্নয়নমূলক সংযোগৰ লক্ষ্যত উপনীত হ'বলৈ এই দুটা হ'ল প্রচুৰ সম্ভাৱনীয়তা থকা উপকৰণ। বৈচিত্র্যময় সংস্কৃতি আৰু ভাষাৰ অগণন সম্প্রদায় সমন্বয়ৰ ডোলেৰে বান্ধ খাই সহাৱস্থান কৰা আমাৰ দেশৰ ক্ষেত্রত এই কথা বিশেষভাৱে প্রযোজ্য। আমি কোনো এটা পৰৱর্তী অধ্যায়ত পৰম্পৰাগত লোক প্রচাৰ মাধ্যমৰ বিষয়ে বহলাই আলোচনা কৰিম।

জানি থোৱা ভাল



গ্রামোন্নয়ন প্রতিষ্ঠানৰ (Institute of Rural Development) ভূমিকা ঃ আমাৰ দেশৰ গ্রাম্য অৱস্থাৰ পৰিবর্তন সাধন কৰিবলৈ হায়দৰাবাদত থকা ৰাষ্ট্রীয় গ্রামোন্নয়ন প্রতিষ্ঠানৰ (National Institute of Rural Development) প্রয়াস আৰু ভূমিকাৰ সৈতে আমি ভালদৰে পৰিচিত হোৱা উচিত। NIRD-এ ইয়াৰ প্রতিষ্ঠা ছনদত ধার্য কৰা উদ্দেশ্য অনুসৰি সমগ্র দেশতে গ্রামোন্নয়ন বিষয়ক বিস্তৃত গৱেষণা, শিক্ষণ তথা সম্প্রসাৰণ কার্য সম্পাদন কৰি আছে। প্রতিষ্ঠানটোত বিভিন্ন বিভাগৰ লগতে এটা গ্রাম্য সংযোগ (Rural Communication) বিভাগো আছে। এই বিভাগটোৱে গ্রামাঞ্চলৰ বাসিন্দাসকলক বিভিন্ন উন্নয়নমূলক তথ্যৰ যোগান ধৰিবলৈ উপযুক্ত পথ আৰু মাধ্যম বিশেষভাৱে বাছি উলিয়ায়।

ইয়াৰ উপৰি দেশৰ প্ৰায় প্ৰতিখন ৰাজ্যতে নিজাকৈ ৰাজ্যিক পৰ্যায়ৰ গ্ৰামোন্নয়ন প্ৰতিষ্ঠান আছে। এই প্ৰতিষ্ঠানবোৰ কম-বেছি পৰিমাণে NIRD-ৰ আৰ্হিতে প্ৰতিষ্ঠা কৰা হৈছে। এই আটাইবোৰ প্ৰতিষ্ঠানেই গৱেষণা তথা গ্ৰামোন্নয়ন আঁচনি ৰূপায়ণত ব্ৰতী হৈ থকাৰ লগতে গ্ৰামাঞ্চলৰ বাসিন্দাৰ সুবিধাৰ্থে উন্নতমানৰ সংযোগ ব্যৱস্থা উদ্ভাৱনৰ প্ৰয়াস কৰি আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ঃ 'প্ৰচাৰ মাধ্যম পৰিকল্পনা' (Media Planning) মানে কি?

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৭ঃ প্ৰচাৰ মাধ্যম পৰিকল্পনা কৰাৰ সময়ত কোনবোৰ কথাৰ প্ৰতি লক্ষ্য ৰখা হয়?

.....

.....

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৮ঃ সমূহীয়া ৰেডিঅ' (Community Radio) মানে কি? সমূহীয়া ৰেডিঅ'ৰ সুবিধাবোৰ কি কি?

.....

.....

.....

.....

.....

.....

.....

প্ৰশ্ন নং ৯ ঃ কৃষিভিত্তিক উন্নয়ন আৰু গ্ৰামোন্নয়নৰ লক্ষ্যত উপনীত হোৱাত সহায়ক হ'ব পৰা সম্ভাব্য প্ৰচাৰ মাধ্যমবোৰ কি কি? কিয় তেনেদৰে ভবা হয়?

.....

.....

.....

.....

.....

.....

.....



৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- গ্ৰামোন্নয়ন মানে হ'ল গ্ৰামাঞ্চলৰ উন্নতি সাধন তথা গঞা বাইজৰ জীৱন ধাৰণৰ মান উন্নত কৰা।
- গ্ৰাম্য আৰু গাঁও অঞ্চলবোৰৰ অনগ্ৰসৰতাৰ আঁৰৰ কাৰণ কেইবাটাও। ইয়াৰে দুটামান কাৰণ হ'ল দুৰ্বল যাতায়াত তথা সংযোগ ব্যৱস্থা, পুৰণিকলীয়া গোড়ামিৰ বাবে সৃষ্টি হোৱা নিৰক্ষৰতা, তথ্য তথা শিক্ষাৰ অভাৱ, বিদ্যালয় তথা অন্য শৈক্ষিক প্ৰতিষ্ঠানৰ দুৰ্বল আন্তঃগাঁথনি, স্বাস্থ্য তথা চিকিৎসা সেৱাৰ অসুলভতা ইত্যাদি।
- গ্ৰামাঞ্চলসমূহৰ উন্নয়নৰ সবাতোকৈ জৰুৰী দিশটো হ'ল কৃষিভিত্তিক উন্নয়ন।
- কৃষিখণ্ডৰ উন্নয়ন ক্ষিপ্ৰ কৰি তুলিবলৈ আমাক উন্নয়নমূলক সংযোগৰ প্ৰয়োজন হয়।
- স্বাধীনতাৰ পাছৰ পৰাই কেন্দ্ৰীয় আৰু ৰাজ্য উভয় চৰকাৰে দেশৰ কৃষিখণ্ডৰ উন্নয়নৰ ওপৰত সদায় জোৰ দি আহিছে। প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাত কৃষিৰ ওপৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰা হৈছিল।
- দেশৰ প্ৰায় প্ৰতিখন ৰাজ্যতে কৃষি বিশ্ববিদ্যালয় আৰু পশু চিকিৎসা মহাবিদ্যালয় আছে। ইয়াৰ উপৰি দিল্লীত ভাৰতীয় কৃষি গৱেষণা পৰিষদ (ICAR) স্থাপিত কৰা হৈছে। এই প্ৰতিষ্ঠানবোৰে, বিশেষকৈ ICAR-এ বিগত কেইবাটাও দশক ধৰি কৃষিক্ষেত্ৰৰ সৰ্বাংগীন বিকাশ আৰু গৱেষণা কৌশল উদ্ভাৱনৰ কামত ব্ৰতী হৈ আছে।
- 'প্ৰচাৰ মাধ্যম পৰিকল্পনা' মানে হ'ল প্ৰকৃত নিৰ্ধাৰিত দৰ্শকক বঞ্চিত তথ্যৰ যোগান ধৰাৰ বাবে বিভিন্ন প্ৰকাৰৰ প্ৰচাৰ মাধ্যমৰ সুসম মিশ্ৰণ যুগুত কৰা পদ্ধতি।
- ছপা মাধ্যম হ'ল প্ৰধানতঃ চহৰীয়া মাধ্যম (Urban medium)। ইয়াক গ্ৰাম্য তথ্য কৃষিভিত্তিক উন্নয়নৰ কামত ব্যৱহাৰ কৰিব পৰা উপযুক্ত মাধ্যম বুলি ক'ব পৰা নাযায়।

- বৈদ্যুতিক প্রচাৰ মাধ্যমবোৰৰ ভিতৰত ৰেডিঅ'ক গ্রাম্য আৰু কৃষিকার্যৰ লগত জড়িত নির্ধাৰিত দর্শকৰ কায চাপিব পৰা সবাতোকৈ উপযুক্ত প্রচাৰ মাধ্যম বুলি বিবেচনা কৰা হয়।
- উন্নয়নমূলক সংযোগৰ দিশটো উন্নততৰ কৰি তুলিব পৰা এটা প্রচুৰ সম্ভাৱনীয়তাপূর্ণ মাধ্যমে সম্প্রতি আমাৰ দেশত বিপুল জনপ্রিয়তা অর্জন কৰিছে। ইয়াক সমূহীয়া ৰেডিঅ' (Community Radio) বোলে।
- সমূহীয়া ৰেডিঅ' হ'ল এটা সীমিত সামর্থ্যৰ এফ. এম. ৰেডিঅ' ষ্টেশ্যন। এনে ষ্টেশ্যনবোৰে একোটা সীমিত পৰিসৰ ব্যৱহাৰ কৰি স্থানীয় উদ্দেশ্য সম্বন্ধীয় তথ্য প্রচাৰ কৰে। ই উন্নয়নমূলক সংযোগ স্থাপন কৰিব পৰা এবিধ আদর্শ উপকৰণ। এনে ষ্টেশ্যচনৰ পৰা স্থানীয় ভাষাত, বিস্তৃত তথা সহজে বুজি পোৱাবিধৰ অনুষ্ঠানসূচী প্রচাৰ কৰিব পৰা যায়। স্থানীয় জনগণ হ'ল ইয়াৰ দর্শক। এনে ৰেডিঅ'ত কেৱল সম্প্রদায়টোৰ সৈতে প্রত্যক্ষ অথবা পৰোক্ষ সংযোগ থকা দিশবোৰৰ ওপৰতহে মনোনিবেশ কৰা হয়।



৭.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Hanson, A. J. and Gabriel, R. (1992) *Communicating for Sustainable Development : Promoting Sustainable Development in Developing Countries,* Journal for Environment and Development, Vol. 8, No. 2, pp 111-132.
2) Melkote, S. R. (1991), *Communication for Development in the Third World– Theory and Practice,* Sage Publications, New Delhi.
3) Modi, Beller (1991), *Designing Messages for Development Communication*, Sage Publications, New Delhi.
4) Rehman and Rehman (1998), *Participation for Development*, Manak Publications, New Delhi.



৭.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ গ্রামোন্নয়ন মানে হ'ল গ্রামাঞ্চলৰ উন্নতি আৰু গঞা বাসিন্দাৰ জীৱনৰ মান উন্নত কৰা কার্যকলাপ।

২নং প্রশ্নৰ উত্তৰ ঃ ক) ৭০ (সত্তৰ), খ) কৃষি।

৩নং প্রশ্নৰ উত্তৰ ঃ যিটো প্রক্রিয়াৰ দ্বাৰা গৱেষণালব্ধ সিদ্ধান্তসমূহ কৃষক সমাজৰ কায চপোৱাৰ আৰু সেই সিদ্ধান্তবোৰ কৃষিকার্যত প্রয়োগ কৰাৰ নিয়ম বুজোৱাৰ প্রয়াস কৰা হয় তাকেই কৃষিভিত্তিক সংযোগ বোলা হয়।

৪নং প্রশ্নৰ উত্তৰ ঃ আমি সকলোৱে এই কথা জানো যে আমাৰ দেশৰ ৭০ শতাংশতকৈও অধিক লোক গাঁও আৰু গ্রামাঞ্চলসমূহত বাস কৰে। এই লোকসকলৰ জীৱিকা অর্জনৰ প্রধান উৎস হ'ল কৃষি। কিন্তু দেশৰ এই বাসিন্দাসকলৰ সৰহভাগেই বিভিন্ন গুৰুতৰ সমস্যাৰে আক্রান্ত। এনে সমস্যা দুটামান হ'ল বৃহৎ মাত্রাৰ নিৰক্ষৰতা, তথ্য প্রসাৰৰ বাবে উপযুক্ত যোগাযোগ ব্যৱস্থাৰ অভাৱ, আগভাগ লোৱা কার্য, উদ্ভাৱন তথা বিত্তীয় উৎসৰ অভাৱত আধুনিক কৌশল তথা আহিলা ব্যৱহাৰ কৰি উপযুক্তভাৱে কৃষিকার্য সম্পাদন কৰাৰ অক্ষমতা ইত্যাদি। সেয়েহে আমি আমাৰ গ্রামাঞ্চলৰ বাসিন্দাসকলক, বিশেষকৈ কৃষিকার্যৰ লগত জড়িতসকলক সকলো দিশৰ পৰা বিকশাই তোলাত অতীব প্রয়োজনীয় হৈ পৰিছে। তেতিয়াহেআমাৰ দেশ ভৱিষ্যতে এক উন্নত দেশত পৰিণত হ'ব। সেয়েহে আমাৰ দেশৰ দৰে কৃষিপ্রধান দেশত কৃষিভিত্তিক সংযোগ অতি প্রয়োজনীয় হৈ পৰিছে।

৫নং প্রশ্নৰ উত্তৰ ঃ ক) ভাৰতীয় কৃষিভিত্তিক গৱেষণা পৰিষদ (ICAR), খ) কৃষি।

৬নং প্রশ্নৰ উত্তৰ ঃ প্রচাৰ মাধ্যমৰ পৰিকল্পনা মানে হ'ল প্রকৃত নির্ধাৰিত লোকসমাজৰ হিতার্থে বাঞ্ছিত তথ্য প্রেৰণৰ বাবে ব্যৱহাৰ কৰিবলগীয়া বিভিন্ন প্রকাৰৰ প্রচাৰ মাধ্যমৰ সুসম মিশ্রণ যুগুত কৰা প্রক্রিয়া।

৭নং প্রশ্নৰ উত্তৰ ঃ প্রচাৰ মাধ্যম পৰিকল্পনা কেইবাটাও অধ্যয়নলব্ধ বিষয়ৰ ওপৰত নির্ভৰশীল। যেনে— এক নির্দিষ্ট স্থানত কেনেধৰণৰ প্রচাৰ মাধ্যম সুলভ, সেই নির্দিষ্ট প্রকাৰৰ প্রচাৰ মাধ্যমটোৰ সেৱা কিমান মানুহে লাভ কৰে, বিভিন্ন বয়সৰ দর্শকে কোনো এটা বিশেষ প্রচাৰ মাধ্যমে এজেন্সীৰ দ্বাৰা সম্প্রচাৰিত কোনবোৰ অনুষ্ঠান উপভোগ কৰাত অগ্রাধিকাৰ দিয়ে ইত্যাদি।

৮নং প্রশ্নৰ উত্তৰ ঃ সমূহীয়া ৰেডিঅ' হ'ল এটা ক্ষুদ্র পৰিসৰত অনুষ্ঠান সম্প্রচাৰ অনুমতি লাভ কৰা এফ. এম. ৰেডিঅ' ষ্টেশ্যন। ইয়াক সীমিত স্থানৰ ভিতৰত তথ্য প্রচাৰৰ স্থানীয় উদ্দেশ্য সিদ্ধিৰ বাবে প্রয়োগ কৰা হয়। সহজ অর্থত সমূহীয়া ৰেডিঅ' হ'ল মানুহৰ হৈ, মানুহৰ দ্বাৰা আৰু মানুহৰ ৰেডিঅ' অনুষ্ঠান প্রচাৰ কৰা এটা পদ্ধতি।

সমূহীয়া ৰেডিঅ'ৰ প্ৰধান সুবিধাটো হ'ল— ই এটা স্থানীয় ৰূপ লাভ কৰা ৰেডিঅ' কেন্দ্ৰ। ইয়াত স্থানীয় গুৰুত্ব থকা বিষয়-বাৰ্তাক অগ্ৰাধিকাৰ দিয়া হয়। ইয়াৰ উপৰি শঅথানীয় সম্প্ৰদায়ে নিজে নিৰ্বাচিত কৰা অথবা বাছি লোৱা নাইবা অন্য কৰ্মীৰ দ্বাৰা এনে ৰেডিঅ' ষ্টেশ্যনবোৰ পৰিচালিত কৰা হয়। সেয়েহে ইয়াত বাহ্যিক হস্তক্ষেপৰ সুবিধা নাথাকে বুলিয়ে ক'ব পাৰি। ইয়াৰ ফলত সংশ্লিষ্ট স্থানীয় সম্প্ৰদায় এটাৰ কোনো কামত নহা অনুষ্ঠান প্ৰচাৰৰ বাবে বাহিৰৰ পৰা অহা অযুক্তিকৰ হেঁচা প্ৰতিহত কৰিব পৰা যায়।

৯নং প্ৰশ্নৰ উত্তৰ ঃ উন্নয়নমূলক সংযোগৰ উদ্দেশ্য সিদ্ধিত গণ প্ৰচাৰ মাধ্যমকে ধৰি সকলোবোৰ প্ৰচাৰ মাধ্যমৰ সম্ভাব্য ভূমিকা নুই কৰিব নোৱাৰি যদিও ধাৰণাটোৰ যথাৰ্থ প্ৰসাৰৰ বাবে ৰেডিঅ', বিশেষকৈ সমূহীয়া ৰেডিঅ' হ'ল সবাতোকৈ উপযুক্ত মাধ্যম। ইয়াৰ কাৰণ হ'ল বাকী আটাইবোৰ প্ৰচাৰ মাধ্যম মূলতঃ চহৰকেন্দ্ৰিক। গ্ৰামাঞ্চলত সেইবোৰৰ কোনো উল্লেখনীয় উপস্থিতি নাই। কিন্তু ৰেডিঅ' আৰু সমূহীয়া ৰেডিঅ'ৰ ক্ষেত্ৰত ছবিখন সম্পূৰ্ণ বিপৰীত। দেশৰ মুঠ জনসংখ্যা আৰু ভৌগোলিক অঞ্চল সামৰি মাধ্যম দুটাৰ উপস্তিতি এশ শতাংশ বুলি ক'ব পাৰি। ৰেডিঅ'ৰ দুটামান বিশেষ সুবিধা হ'ল সুলভতা, বিস্তৃত বিৱৰণী দিব পৰা সামৰ্থ্য, সহজে কঢ়িয়াই লৈ ফুৰিব পৰা সুবিধা, সহজে বুজিব পৰা মাধ্যম ইত্যাদি। দেশৰ নাগৰিকৰ সৈতে ৰেডিঅ'ৰ এটা অন্তৰংগ তথা বিশেষ সম্পৰ্ক আছে। সেয়েহে উন্নয়নমূলক সংযোগৰ বাবে ৰেডিঅ'ক এটা উচ্চ সম্ভাৱনাপূৰ্ণ মাধ্যম বুলি গণ্য কৰা হয়।



৭.৯ আৰ্হি প্ৰশ্ন

ক) অতি চমু প্ৰশ্ন (প্ৰায় ৫০টা শব্দত উত্তৰ দিয়ক)

১) ছদ্মবেশী নিবনুৱাৰ সৰ্বাধিক অৱস্থিতি থকা ভাৰতৰ বৃহত্তম খণ্ডটো কি?

২) গ্ৰামোন্নয়নৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো কি?

৩) কোনটো পৰিকল্পনাত কৃষি ক্ষেত্ৰত সৰ্বোচ্চ গুৰুত্ব দিয়া হৈছিল?

৪) প্ৰচাৰ মাধ্যম পৰিকল্পনা এটাৰ উদ্দ্যেশ্যসমূহ নিৰ্ণয় কৰোঁতে SMARTৰ সৈতে সংগতিপূৰ্ণ হ'ব লাগে বুলি কোৱা হয়। এই SMART কি?

৫) ব্যৱস্থাপনা তথ্য ব্যৱস্থা কি?

খ) চমু প্ৰশ্ন (প্ৰায় ১৫০টা শব্দত উত্তৰ দিয়ক)

১) উন্নয়নৰ বাবে প্ৰচাৰ-মাধ্যম পৰিকল্পনাৰ প্ৰধান বাহকসমূহ কি কি?

গ) দীঘল প্ৰশ্ন (প্ৰায় ৩০০-৫০০শব্দত উত্তৰ দিয়ক)

১) যদিও দেখাও কোনো সম্পৰ্ক নাই তথাপিও আমি কৃষিভিত্তিক উন্নয়ন তথা গ্ৰামোময়ন দুটা সম্পূৰ্ণ পৃথক উন্নয়ন খণ্ড বুলি গণ্য কৰিব নোৱাৰো কিয়?

২) ভাৰতত গ্ৰাম্য আৰু কৃষিভিত্তিক উন্নয়নৰ বাবে উন্নয়নমূলক সংযোগ স্থাপনত সহায় হ'ব পৰা উপযুক্ত প্ৰচাৰ মাধ্যমবোৰ কি কি? উদাহৰণ দিয়ক।

৩) গ্ৰাম্য আৰু কৃষিভিত্তিক উন্নয়ন খণ্ডত উন্নয়নমূলক সংযোগৰ পৃষ্ঠপোষকতা কৰিবলৈ চৰকাৰ অথবা সমাজে কি প্ৰয়াস কৰিছে?

*** ***** ***